**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-OCT-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
---------------------

১। নামৰূপ সাৰ কাৰখানাৰ নতুন প্ৰকল্পত মন্ত্ৰীসভাৰ অনুমোদন।

২। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত গ্ৰেপ্তাৰ হোৱা অমৃতপ্ৰভা মহন্ত আৰু শেখৰজ্যোতি গোস্বামীৰ আৰক্ষীৰ জিম্মাৰ ম্যাদ আজি অন্ত।

৩। বাক্সাৰ হিংসাত্মক ঘটনাৰ সৈতে জড়িত ৯জন লোকক আৰক্ষীৰ চিনাক্তকৰণ। দুজনক গ্ৰেপ্তাৰ।

৪। স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক পদৰ বাবে অনুষ্ঠিত টেট তথা নিযুক্তি পৰীক্ষাৰ ফলাফল আজি ঘোষণা।

*আৰু*

৫। আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত বাংলাদেশক হৰুৱাই অষ্ট্ৰেলিয়াৰ প্ৰথমটো দল হিচাপে ছেমি ফাইনেলত প্ৰৱেশ।

০০০০০০

অসম মন্ত্ৰীসভাই নামৰূপ সাৰ কাৰখানাৰ এম'নিয়া ইউৰিয়া প্ৰকল্পৰ কাম কৰি থকা আছাম ভেলী সাৰ আৰু ৰাসায়নিক কোম্পানী লিমিটেডত এহেজাৰ ২৭২ দশমিক ৯ কোটি টকাৰ ইকুইটি বিনিয়োগত অনুমোদন জনাইছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি মন্ত্ৰীসভাৰ বৈঠকৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত এই কথা উল্লেখ কৰে। তেওঁ কয়, যে ১০ হাজাৰ ৬০১ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই এম'নিয়া ইউৰিয়া প্ৰকল্পত বছৰি ১২ লাখ ৭ হাজাৰ মেট্ৰিকটন ইউৰিয়া সাৰ উৎপাদন হ'ব। তদুপৰি এই প্ৰকল্পই ৪৬০ গৰাকী স্থায়ী আৰু এহেজাৰ ৫০০ গৰাকী অস্থায়ী কৰ্মচাৰী নিয়োগৰ সুযোগ সৃষ্টি কৰিব বুলিও তেওঁ উল্লেখ কৰে।

মন্ত্ৰীসভাই চলিত বৰ্ষৰ ১ জুলাইৰ পৰা ৰাজ্য চৰকাৰৰ পেঞ্চনাৰ আৰু কৰ্মচাৰীসকলৰ মৰগীয়া বানচ বৰ্তমানৰ ৫৫ শতাংশৰ পৰা ৫৮ শতাংশলৈ বৃদ্ধিত অনুমোদন জনায়।

ইপিনে, শিল্পী জুবিন গাৰ্গৰ স্থায়ী সমাধি নিৰ্মাণৰ বাবে লোকনিৰ্মাণ বিভাগক দায়িত্ব অৰ্পণ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ আগত প্ৰকাশ কৰে। লোকনিৰ্মাণ বিভাগে প্ৰস্তুত কৰা পৰিকল্পনা চূড়ান্ত ৰূপ দিয়াৰ বাবে ৰাজ্য চৰকাৰে এখন বিশেষ সমিতি গঠন কৰিছে বুলি তেওঁ জানিবলৈ দিয়ে। এই সমিতিত শিল্পীগৰাকীৰ পত্নী গৰিমা শইকীয়া গাৰ্গ, ড° পামী বৰঠাকুৰ, শ্যামন্তক গৌতম, পাৰ্থ সাৰথি মহন্ত, বীৰেণ সিংহ, পুলক বেনাৰ্জী, অনুৰাধা শৰ্মা পূজাৰী, প্ৰাঞ্জল শইকীয়া, দুলাল মান্‌কি আৰু তৰালী শৰ্মা সদস্য হিচাপে থাকিব।

মুখ্যমন্ত্ৰীয়ে জুবিন গাৰ্গৰ মৃত্যুৰ বিচাৰ প্ৰক্ৰিয়া ফাষ্টট্ৰেক আদালতত চলিব বুলি প্ৰকাশ কৰি কয়, যে নৱেম্বৰত গোচৰৰ অভিযোগনামা দাখিল কৰা হ'ব।

বাইট

ড° শৰ্মাই কয়, যে বিচাৰৰ বাবে বিশেষ চৰকাৰী অধিবক্তাক নিয়োগ কৰা হ'ব আৰু পৰৱৰ্তী সময়ত চৰকাৰী অধিবক্তাৰ নাম ঘোষণা কৰা হ'ব।

মন্ত্ৰী সভাই কালি সত্ৰ আয়োগ গঠনৰ উদ্দেশ্যে অসম সত্ৰ সংৰক্ষণ আৰু উন্নয়ন আয়োগ বিধেয়ক, ২০২৫ত অনুমোদন জনায়। উচ্চ ন্যায়ালয়ৰ এগৰাকী অৱসৰপ্ৰাপ্ত ন্যায়াধীশ প্ৰস্তাৱিত সত্ৰ আয়োগৰ অধ্যক্ষ হিচাপে থাকিব

বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী শৰ্মাই কয়, যে ৰাজ্য চৰকাৰে সত্ৰসমূহৰ পৰা দুগৰাকী সত্ৰাধিকাৰক আয়োগৰ সদস্য হিচাপে মনোনীত কৰিব।

০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত গ্ৰেপ্তাৰ হোৱা কণ্ঠশিল্পী অমৃতপ্ৰভা মহন্ত আৰু বাদ্যযন্ত্ৰী শেখৰজ্যোতি গোস্বামীক আজি কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱা হ'ব। ১৪ দিনৰ আৰক্ষীৰ জিম্মাৰ ম্যাদ অন্ত পৰাৰ পাছত দুয়োজনকে আদালতে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰাৰ পূৰ্ণ সম্ভাৱনা আছে।

ইপিনে, যোৱা বুধবাৰে অভিযুক্ত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মাকে ধৰি পাঁচজনক বাক্সা জিলাৰ নিকাছিত থকা কাৰাগাৰলৈ নিয়াৰ সময়ত উদ্ভৱ হোৱা হিংসাত্মক ঘটনাৰ সৈতে জড়িত ৯জন লোকক আৰক্ষীয়ে চিনাক্ত কৰিছে। ইয়াৰে ৰমিজ আলী আৰু অহেলা মিঞা নামৰ দুজনক গ্ৰেপ্তাৰ কৰা হৈছে। চৰকাৰী সা-সম্পত্তি নষ্ট কৰা কিছুসংখ্যক লোকৰ বিৰুদ্ধেও ভিডিঅ' ফুটেজ চাই আইনগত ব্যৱস্থা গ্ৰহণ কৰা হৈছে। জিলাখনত বৰ্তমানৰ পৰিস্থিতি সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা দামোদৰ তালুকদাৰ –

বাইট

বাক্সা জিলা কাৰাগাৰত কালি সন্ধিয়া ৰাজ্যৰ গৃহ বিভাগৰ অতিৰিক্ত মুখ্য সচিব অজয় তিৱাৰী আৰু বিটিএডিৰ উপ-আৰক্ষী মহাপৰিদৰ্শক বিবেক ৰাজ সিঙৰ উপস্থিতিত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত আইন শৃংখলা শাখাৰ মহিপৰিদৰ্শক অখিলেশ সিঙো উপস্থিত থাকে।

উল্লেখযোগ্য যে, জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত অহা ২১ অক্টোবৰত ছিংগাপুৰ আৰক্ষীয়ে ৰাজ্যৰ অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান আৰু এছ আই টিৰ মুৰব্বী মুন্না প্ৰসাদ গুপ্তাৰ নেতৃত্বত অসম আৰক্ষী দলৰ সৈতে বৈঠকত মিলিত হ'ব।

০০০০০০

স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক পদৰ বাবে অনুষ্ঠিত টেট তথা নিযুক্তি পৰীক্ষাৰ ফলাফলসমূহ আজি ঘোষণা কৰা হ'ব। পৰীক্ষাৰ্থীসকলে দিনৰ চাৰে ১০ বজাত মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ ৱেব ছাইট madhyamik.assam.gov.in ত তেওঁলোকৰ ফলাফলসমূহ লাভ কৰিব। অহা ২৫ অক্টোবৰৰ ভিতৰত নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক শিক্ষক পদৰ ফলাফলসমূহ ঘোষণা কৰা হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰকাশ কৰিছে।

০০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আয়োজন কৰা ষষ্ঠ গোলাপ শইকীয়া সোঁৱৰণী অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ ফলাফলসমূহ ঘোষণা কৰা হৈছে। সেই অনুসৰি গুৱাহাটীৰ নুনমাটিৰ অসম জাতীয় বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰী নিষ্ঠা বৰগোহাঁইয়ে এই প্ৰতিযোগিতাত প্ৰথম স্থান অধিকাৰ কৰিছে। গহপুৰৰ নিউ স্কলাৰ্ছ একাডেমীৰ দ্বাদশ শ্ৰেণীৰ ছাত্ৰী দিব্যা আত্ৰেয়ই দ্বিতীয় স্থান লাভ কৰিছে। যোৰহাটৰ মহেশ্বৰ বৰকটকী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ দশম শ্ৰেণীৰ ছাত্ৰী অন্বেষা ফুকন আৰু গুৱাহাটীৰ কটন বিশ্ববিদ্যালয়ৰ একাদশ শ্ৰেণীৰ ছাত্ৰ ৰোহিত গাঁওখোৱাই যুটীয়াভাৱে তৃতীয় স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে। বিজয়ী প্ৰতিযোগীসকলে তেওঁলোকৰ নিজ নিজ শিক্ষানুষ্ঠান আৰু অধ্যয়ন কৰা শ্ৰেণীৰ প্ৰমাণপত্ৰ দাখিল কৰি পুৰস্কাৰ গ্ৰহণ কৰিব পাৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰত হ'বলগীয়া পুৰস্কাৰ বিতৰণ অনুষ্ঠানৰ তাৰিখ আৰু সময় দুই-এদিনতে প্ৰকাশ কৰা হ'ব। পুৰস্কাৰ ৰূপত প্ৰথম তিনিটা স্থান লাভ কৰা আটাইকেইগৰাকী বিজয়ী প্ৰতিযোগিয়ে একোটাকৈ স্মাৰক, প্ৰমাণপত্ৰ আৰু এটাকৈ ৰেডিঅ'ছেট লাভ কৰিব। আজিৰ বাতৰিত আমি প্ৰথম স্থান বিজয়ী নিষ্ঠা বৰগোহাঁয়ে পঢ়া বাতৰিৰ অংশ প্ৰচাৰ কৰিবলৈ লৈছোঁ।

*(বাইট ঃ নিষ্ঠা)*

এয়া আছিল গোলাপ শইকীয়া সোঁৰণী অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰা গুৱাহাটীৰ নুনমাটিৰ অসম জাতীয় বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰী নিষ্ঠা বৰগোহাঁই।

০০০০০০

অসমত ৰে’ল সেৱা বিশেষকৈ যাত্ৰীবাহী ৰে’ল সেৱাক অধিক জনমুখী কৰা সন্দৰ্ভত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত উত্তৰ-পূব সীমান্ত ৰে’লৱেৰ প্ৰাক্তন মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া ছিতু সিং হাজং, সাংবাদিক ত্ৰিদীপ লহকৰ আৰু অসম ৰে’লযাত্ৰী সংস্থাৰ সাধাৰণ সম্পাদক দীপংকৰ শৰ্মাই অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰে’ল সেৱাৰ সাম্প্ৰতিক অৱস্থা সম্পৰ্কত আলোচনা কৰিব। এই আলোচনাৰ আঁত ধৰিব আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০০

অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে বিদ্যালয় শিক্ষা বিভাগ আৰু ইউনিচেফৰ সহযোগত ভূমিকম্পৰ দৰে প্ৰাকৃতিক দুৰ্যোগৰ সময়ত ছাত্ৰ-ছাত্ৰীসকলে ল’বলগীয়া সতৰ্কতামূলক ব্যৱস্থা সন্দৰ্ভত সজাগ কৰাৰ উদ্দেশ্যে বিদ্যালয়সমূহত **দা গ্ৰেট আছাম স্কুল শ্বেকআউট প্ৰ’গ্ৰাম** শীৰ্ষক বিশেষ কাৰ্যসূচী হাতত লৈছে। আন্তঃৰাষ্ট্ৰীয় আলোড়ন দিৱস উপলক্ষে কালি গুৱাহাটীত এই কাৰ্যসূচী মুকলি কৰা হয়। ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই এই কাৰ্যসূচী মুকলি কৰি দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ এই পদক্ষেপৰ শলাগ লয়। উল্লেখযোগ্য যে এই কাৰ্যসূচীৰ অধীনত ১৯৫০ৰ বৰভূঁইকঁপক সুঁৱৰি অহা ২৯ অক্টোবৰত ৰাজ্যৰ ৩৫ খন জিলাৰ এহেজাৰ ৯৩৬ খন বিদ্যালয়ৰ ৭ লাখ ছাত্ৰ-ছাত্ৰীক সামৰি ভূমিকম্প আৰু অগ্নিকাণ্ডৰ সময়ত আত্মৰক্ষা, সুৰক্ষা আৰু সতৰ্কতামূলক কৌশলৰ অনুশীলনমূলক প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত কৰা হ’ব।

০০০০০০

ডিব্ৰুগড় জিলাৰ মহিলা আৰু শিশু উন্নয়ন বিভাগৰ জিলা সংকল্প মহিলা সৱলীকৰণ কেন্দ্ৰৰ উদ্যোগত কালি ডিব্ৰুগড় পৌৰ নিগমৰ সভাকক্ষত জিলা সমাজ কল্যাণ বিষয়া প্ৰশান্ত বৰাৰ সভাপতিত্বত **কৰ্মক্ষেত্ৰত মহিলাৰ ওপৰত হোৱা যৌন নিৰ্যাতন প্ৰতিৰোধ, নিষেধাজ্ঞা আৰু প্ৰতিকাৰ আইন ২০১৩** সন্দৰ্ভত এখন সজাগতামূলক আলোচনা সভা অনুষ্ঠিত হয়। বিভিন্ন চৰকাৰী বিভাগৰ মুৰব্বী তথা প্ৰতিনিধিৰ উপস্থিতিত অনুষ্ঠিত সভাত আইনগত বিধি আৰু প্ৰতিটো কাৰ্যালয়তে গঠন কৰিবলগীয়া কমিটিসমূহৰ কৰ্তব্যৰ বিষয়ে আলোচনা কৰা হয়।

০০০০০০

কামৰূপ মহানগৰ জিলাৰ পকছ’ আদালতে কালি শিশু যৌন নিৰ্যাতনৰ গোচৰত আয়ুব আলি চৌধুৰী নামৰ এজন লোকক ২০ বছৰৰ সশ্ৰম কাৰাদণ্ড আৰু ৫০ হাজাৰ টকাৰ জৰিমনা বিহিছে। পকছ’ আইন আৰু ভাৰতীয় ন্যায় সংহিতাৰ কেইবাটাও ধাৰাত দোষী সাব্যস্ত কৰি আদালতে অপৰাধীজনক দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰে। হাতীগাঁও আৰক্ষী থানাত ৰুজু হোৱা এটা গোচৰৰ ভিত্তিত চৌধুৰীক গ্ৰেপ্তাৰ কৰা হৈছিল।

০০০০০০

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত অষ্ট্ৰেলিয়াই প্ৰথমটো দল হিচাপে ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। প্ৰতিযোগিতাত যোৱানিশা বিশাখাপট্টনমত অনুষ্ঠিত এখন খেলত অষ্ট্ৰেলিয়াই বাংলাদেশক ১০ উইকেটত পৰাস্ত কৰে। অষ্ট্ৰেলিয়াই ১৯৯ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি এলিছা হিলি আৰু ফোবি লিটছফিল্ডৰ সুন্দৰ বেটিঙৰ সহায়ত মাত্ৰ ২৪ অভাৰ ৫টা বলতে নিৰ্ধাৰিত লক্ষ্যত উপনীত হ’বলৈ সমৰ্থ হয়। হিলিয়ে ৭৭টা বলত ১১৩ ৰান আৰু লিটছফিল্ডে ৮৪ ৰান কৰি আউট নোহোৱাকৈ থাকে। ইয়াৰ পূৰ্বে, বাংলাদেশে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ৫০ অভাৰত ৯ উইকেটৰ বিনিময়ত ১৯৮ ৰান সংগ্ৰহ কৰে। দলৰ হৈ সুভনা মস্তেৰিয়ে

সৰ্বাধিক ৬৬ ৰান কৰে। কালিৰ খেলখনকে ধৰি ৫ খন খেলৰ পৰা অষ্ট্ৰেলিয়াই ৯ পইণ্ট সংগ্ৰহ কৰি পইণ্ট তালিকাৰ শীৰ্ষ স্থানত আছে।

প্ৰতিযোগিতাত আজি কলম্বোত হ'বলগীয়া এখন খেলত দক্ষিণ আফ্ৰিকা শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি ৩ বজাত আৰম্ভ হ'ব।

000000

কামৰূপ জিলাৰ আমিনগাঁৱত চলি থকা বি ডব্লিউ এফ বিশ্ব জুনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপৰ আজি দ্বাদশ দিনা ভাৰতে তিনিখন একক আৰু দুখন দ্বৈত শাখাৰ কোৱাৰ্টাৰ ফাইনেলত অৱতীৰ্ণ হ'ব। একক শাখাত বিশ্বৰ শীৰ্ষ বাচনিৰ খেলুৱৈ উন্নতি হুদা আৰু তন্‌ভি শৰ্মাই প্ৰতিদ্বন্দ্বিতা কৰিব। উল্লেখযোগ্য যে ভাৰতে ইতিমধ্যে বিশ্ব জুনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপত প্ৰথমবাৰৰ বাবে ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে।

000000

## News Paper Review

মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত কালি অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত গ্ৰহণ কৰা বিভিন্ন গুৰুত্বপূৰ্ণ সিদ্ধান্ত, নিষেধাজ্ঞা জাৰীৰ পিছত বাক্সাৰ পৰিস্থিতি, তেজপুৰ বিশ্ববিদ্যালয়ৰ ভাৰপ্ৰাপ্ত উপাচাৰ্যসহ ৪ জনৰ পদত্যাগ আদিকে ধৰি ভিন ভিন বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহে প্ৰথম পৃষ্ঠাত স্থান দিছে।

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাত অভিযুক্ত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মাকে ধৰি ৫ জনক বাক্সাৰ কাৰাগাৰলৈ লৈ যোৱাৰ সময়ত স্থানীয় লোক আৰু আৰক্ষীৰ মাজত সংঘটিত হিংসাত্মক ঘটনা সন্দৰ্ভত বিভিন্ন দল-সংগঠন আৰু ব্যক্তি বিশেষে প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ এটা বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। এই সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে বাক্সাৰ হিংসাত্মক ঘটনা এ বি এমছু, ডি ভোটাৰৰ উচটনিত হোৱা বুলি মন্তব্য কৰাৰ আন এটা বাতৰি **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ইপিনে নিকাচীৰ উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ সৈতে জড়িত ৯ জনক চিনাক্ত কৰাৰ বাতৰিটো **নিয়মীয়া বাৰ্তা** কাকতে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

মন্ত্ৰীসভাৰ বৈঠকত জুবিন গাৰ্গৰ স্থায়ী সমাধিক্ষেত্ৰ নিৰ্মাণৰ সিদ্ধান্ত গ্ৰহণৰ বাতৰিটোক **দৈনিক জনমভূমি** কাকতে মুখ্য বাতৰিৰ স্থান দিছে। জুবিন গাৰ্গৰ মৃত্যু সম্পৰ্কীয় গোচৰসমূহৰ বিচাৰ ফাষ্ট ট্ৰেক কোৰ্টত চলিব বুলি কালিৰ বৈঠকত লোৱা সিদ্ধান্তটো **দি আছাম ট্ৰিবিউন** আৰু **দ্যা চেণ্টিনেল** কাকতে মুখ্য বাতৰিৰ স্থান দিছে। বৈঠকত ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলৰ মৰগীয়া বানচ ৫৮ শতাংশলৈ বৃদ্ধি কৰাৰ সিদ্ধান্তৰ বাতৰিটো **অসমীয়া খবৰ** আৰু **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

তেজপুৰ বিশ্ববিদ্যালয়ত সৃষ্টি হোৱা অৰাজ পৰিস্থিতিৰ সময়তে বিশ্ববিদ্যালয়খনৰ শীৰ্ষ ৫ গৰাকী বিষয়াই পদত্যাগ কৰা বাতৰিটোকো **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিক **অসমীয়া খবৰ** কাকতেও প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকসকলক প্ৰধানমন্ত্ৰী গ্ৰামীন আৱাস যোজনাৰ বিভিন্ন কামত নিয়োজিত কৰাৰ ফলত ৰাজ্যৰ শিক্ষাখণ্ডত বিয়োগাত্মক প্ৰভাৱ পৰাৰ এটা গুৰুত্বপূৰ্ণ বাতৰিক **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

000000

বাক্সা জিলাৰ নতুন বৰলা গাঁও নিবাসী জনপ্ৰিয় মঞ্চ অভিনেতা হেমেন শৰ্মাৰ কালি নিজ বাসভৱনত মৃত্যু হয়। প্ৰয়াত শৰ্মাই ফুল চন্দন, মহাযুদ্ধৰ ঘোঁৰা আদিকে ধৰি কেইবাখনো সফল নাটক ৰচনা কৰাৰ উপৰি ভ্ৰাম্যমাণ থিয়েটাৰৰো কেইবাখনো নাট পৰিচালনা কৰিছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৭ বছৰ।

oooooo

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকবাৰে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

সমাপ্ত